**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-03-2026 **Time :** 1100 Hrs.

0000000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰেপৰা ফাকুৱা আৰু দৌল উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সত্ৰ-দৌলসমূহত পুৱাৰেপৰা পৰম্পৰাগত আৰু ধৰ্মীয় ৰীতি-নীতিৰে দৌল উৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে। ঐতিহ্যমণ্ডিত **বৰপেটা** সত্ৰত দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। সত্ৰনগৰী বৰপেটাত আজিৰেপৰা ৫ দিনীয়াকৈ দৌল মহোৎসৱ উদযাপন কৰা হ'ব। আজি সন্ধিয়া গোন্ধযাত্ৰাৰে আৰম্ভ হ'বলগীয়া এই উৎসৱৰ কাইলৈৰ পৰা তিনিদিন ভৰদৌল অনুষ্ঠিত হ'ব। সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসীৰ শংকৰদেৱৰ থান সত্ৰতো আজিৰেপৰা দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান **বটদ্ৰৱা** থানত আজিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে দৌল যাত্ৰা উপলক্ষে ১০ লক্ষাধিক তীৰ্থযাত্ৰীক আদৰণি জনোৱাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। কোচবিহাৰৰ **মধুপুৰ** সত্ৰ, মাজুলীৰ ঐতিহ্যমণ্ডিত বেঙেনাআটি সত্ৰ, **উত্তৰ গুৱাহাটী**ৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰ, **লখিমপুৰ**ৰ শ্ৰীশ্ৰী বাসুদেৱ থানা নৰোৱা সত্ৰতো আজিৰেপৰা দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

000000

ইৰান, ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সংঘৰ্ষই সৃষ্টি কৰা অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি তেওঁৰ বাসগৃহত নিৰাপত্তা সন্দৰ্ভত কেবিনেট সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত যোৱা ২৮ ফেব্ৰুৱাৰীত ইৰানত হোৱা বিমান আক্ৰমণ আৰু প্ৰতিক্ৰিয়া হিচাপে কেইবাখনো দেশত ইৰাণৰ প্ৰত্যাক্ৰমণৰ বিষয়ত আলোচনা কৰা হয়। কেবিনেট সমিতিয়ে এই দেশসমূহত বাস কৰা বহু সংখ্যক ভাৰতীয় লোকৰ সুৰক্ষা আৰু নিৰাপত্তাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সমিতিয়ে লগতে সংঘৰ্ষ জৰ্জৰ অঞ্চলসমূহৰ পৰা ভাৰতীয় পৰ্যটক তথা তাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে ওলাই অহাৰ ক্ষেত্ৰত সন্মুখীন হোৱা অনুসবিধাৰ বিষয়টোও পৰ্যালোচনা কৰে। কেবিনেট সমিতিয়ে সংশ্লিষ্ট সকলো বিভাগকে এই ক্ষেত্ৰত ভাৰতীয় লোকসকলক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে।

0000000

গোলাঘাট জিলাৰ কঁহৰাত কাইলৈ কাজিৰঙা অৰ্কিড উদ্যান মুকলি কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত ৯০০ বিধতকৈও অধিক দেশী-বিদেশী প্ৰজাতিক অৰ্কিড সংৰক্ষণ কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনত ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে।

0000000

পশ্চিম কাৰ্বিআংলং জিলাৰ দৈয়াংমুখত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত তিনিটা বাসগৃহ নিমিষতে ভস্মীভূত হয়। অগ্নিকাণ্ডত তিনিটা পৰিয়ালৰ সকলো ধৰণৰ সামগ্ৰী আৰু নথিপত্ৰ জুইত জাহ যায়। জিলা

দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ঘটনাস্থলী পৰিদৰ্শন কৰি ভুক্তভোগী পৰিয়ালকেইটালৈ প্ৰয়োজনীয় সাহায্য যোগান ধৰিছে। প্ৰাৰম্ভিক তদন্তত শ্বৰ্টছাৰ্কিটৰ ফলতেই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০০

চিৰাং জিলাৰ ঢালিগাঁৱত থকা বঙাইগাঁও তেল শোধনাগাৰৰ উপ-নগৰী ৰত্নপীঠ উদ্যানত আয়োজন কৰা ষষ্ঠদশ পুষ্পমেলাৰ কালি সামৰণি পৰে। শোধনাগাৰ এলেকাত পৰিৱেশ সুৰক্ষাৰ লগতে আবাসীসকলৰ মাজত প্ৰকৃতিৰ সুৰক্ষাৰ বাবে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই মেলাৰ আয়োজন কৰা হয়। পুষ্প মেলাৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰত যোৱানিশা এটা মৰাপাটৰ গুদামত অগ্নিকাণ্ড সংঘটিত হয়। স্থানীয় ৰাইজে আৰক্ষীৰ লগতে অগ্নি নিৰ্বাপক বাহিনীক অগ্নিকাণ্ডৰ খবৰ দিয়ে। অগ্নি নিৰ্বাপক বাহিনীৰ দুখনকৈ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও অগ্নিকাণ্ডত কেইবালাখ টকা মূল্যৰ সম্পত্তি জাহ যায়। অৱশ্যে অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈ জানিব পৰা হোৱা নাই।

০০০০০০০

বীৰাংগনা সতী সাধনীৰ স্মৃতিত বোকাখাতৰ কমাৰগাঁৱত নিৰ্মাণ হ'বলগীয়া সাধনী সমন্বয় ক্ষেত্ৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ আধাৰশিলা স্থাপন কৰিব। কমাৰগাঁৱৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ ৪২ বিঘা ভূমিত কেইবাকোটি টকা ব্যয়সাপেক্ষে এই সমন্বয়ক্ষেত্ৰখন নিৰ্মাণ কৰা হ'ব। এই ক্ষেত্ৰত সতী সাধনীৰ  প্ৰতিমূৰ্তি, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰেক্ষাগৃহ শিশু উদ্যানকে ধৰি অন্যান্য ব্যৱস্থা থাকিব। সদৌ অসম চুতীয়া ছাত্ৰ সন্থা তথা চুতীয়া জনগোষ্ঠীয় সংগঠনসমূহৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই প্ৰকল্প নিৰ্মাণৰ ৰাজ্য চৰকাৰৰ সিদ্ধান্তক সংগঠনকেইটাই আদৰণি জনাইছে।

০০০০০০০

ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ আইন মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ কালি সামৰণি পৰে। এই উপলক্ষে অনুষ্ঠিত  মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। শ্ৰী সোণোৱালে প্ৰতিষ্ঠা কালৰে পৰা আইন শিক্ষাৰ প্ৰসাৰৰ দিশত বিশেষ ভূমিকা পালন কৰি অহা মহাবিদ্যালয়খনে মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগাই যাব বুলি আশা প্ৰকাশ কৰে। এই সভাতে এখন স্মৃতি গ্ৰন্থও মুকলি কৰা হয়।

০০০০০০

**সমাপ্ত**